# লক্ষ্মণ-ৰেখা

টমাছ আল্‌ভা এডিছনৰ বিষয়ে আমি জানো যে তেওঁ আমাক দি থৈ গ'ল বিজুলি-বাতি আৰু ঘৰে-ঘৰে বিজুলি-সৰবৰাহৰ প্ৰণালী, ফন'গ্ৰাফ, চিনেমা আৰু কত কি, কিন্তু আমি বহুতেই নাজানো যে তেওঁৰে ৭৩ বছৰ বয়সত তেওঁ 'ছায়েন্টিফিক এমেৰিকান' আলোচনীক (আৰু আন-আন সাংবাদিকক) জনায় যে তেওঁ মৃতকৰ লগত যোগাযোগ স্থাপন কৰিবলৈ এটা অতি সূক্ষ্ম সঁজুলি নিৰ্মাণ কৰাৰ চেষ্টা কৰি আছে—কিন্তু পাছলৈ এই বিষয়ে কোনো টোকাবহী বা আৰ্হি (মডেল) পোৱা যোৱা নাই। যদি তেনেকুৱা এটা যতন তেওঁ সঁচাকৈয়ে সাজি উলিয়াব পাৰিলেহেঁতেন, তেনেহ'লে হয়তো (আংশিকভাৱে হ'লেও) পোৱা গ'লহেঁতেন বহুবোৰ প্ৰশ্নৰ উত্তৰ, যিবোৰ প্ৰশ্নই যুগ-যুগ ধৰি মানুহক কৌতূহলী আৰু উদ্বিগ্ন কৰি ৰাখিছেঃ মৃত্যুৰ পাছত মানুহৰ কি হয়? ক'লৈ যায়? সকলো শেষ হৈ যায়, নে 'আত্মা' বুলি কিবা এটা থাকি যায়? মানুহৰ পুনৰ্জন্ম হয়নে? 'আত্মা' বুলি কিবা এটা বস্তু সঁচাকৈয়ে আছেনে, যিটো অবিনশ্বৰ, দেহৰপৰা দেহান্তৰলৈ নিহিত হৈ ৰয়? 'ঈশ্বৰ' বুলি কিবা আছেনে? এই বিশাল অকল্পনীয় বিশ্বব্ৰহ্মাণ্ডখন নিজে-নিজে সৃষ্ট হ'ল, নে কোনোবাই কিছুমান নিয়ম বান্ধি দি ব্ৰহ্মাণ্ডখন 'ষ্টাৰ্ট' কৰি দিলে ঘড়ীটোত চাবি দি চলাই দিয়াৰদৰে—কিয়নো দেখ্‌দেখ্‌কৈ সমগ্ৰ বিশ্বপ্ৰপঞ্চ চলি আছে কিছুমান নিয়মেৰে—যেনে, কোনে ঠিক কৰি দিলে যে সূৰ্যবোৰৰ চাৰিওপিনে গ্ৰহবোৰ ঘূৰিব উপবৃত্তাকাৰ পথত, জীৱদেহৰ প্ৰ'টিনৰ এমাইন'-এচিডবোৰ হ'ব বাওঁহতীয়া...

নাই, প্ৰয়াত ব্যক্তিৰ লগত যোগাযোগ কৰিব পৰা কোনো সঁজুলি এডিছনে আমাক দি থৈ যাব নোৱাৰিলে। তাৰ অৰ্থ নিশ্চয় এইটোৱেই যে মৃত্যুৰ পাছত কি হয় আমি কোনো দিনেই জানিব নোৱাৰিম। তাৰ অৰ্থ এইটোৱেই যে সকলো প্ৰশ্নৰ উত্তৰ, সকলো পৰিঘটনাৰ কাৰণ, আমাক জানিবলৈ দিয়া নহ'ব। কোনোবা শক্তিয়ে (বা সত্তাই বা প্ৰজ্ঞাই) ক'ৰবাত এডাল লক্ষ্মণ-ৰেখা টানি থৈ দিছে যে এইখিনিলৈকেহে তোমালোকে কথাবোৰ জানিব পাৰিবা, বুজিব পাৰিবা—তাৰ বাহিৰত, অজ্ঞানৰ অভেদ্য অন্ধকাৰ।

*** *** ***

ক্ষুদ্ৰতৰ পৰিসৰতো—যেনে, আমাৰ গতানুগতিক ব্যক্তিগত জীৱনতো—থাকি যায় এনেকুৱা বহুতো প্ৰশ্ন, যিবোৰৰ উত্তৰ আমি বিচাৰি নাপাওঁ, বহুতো ঘটনা, যিবোৰৰ কাৰ্য-কাৰণ সম্বন্ধ থাকি যায় ৰহস্যৰ কুহেলীৰে আবৃত্ত হৈ অবোধগম্য। বহু দিনৰ চিনাকি বুধীন (বুদ্ধীন্দ্ৰ) বৰদলৈৰ লগত কিয় মোৰ বন্ধু-বিচ্ছেদ ঘটিল আজিও ভাবি নাপালোঁ—অৱশ্যে এই বিচ্ছেদ মোৰ পিনৰপৰা নহয়, বুধীনেহে কিবা অজান কাৰণত অসন্তুষ্ট হৈ মোৰ লগত সম্বন্ধ কাটি দিলে। বহু দিনৰ বন্ধু যদিও বুধীন মোৰ সমবয়সী নহয়, মোৰ ইস্কুলৰ সহপাঠী বা কলেজৰ লগৰীয়াও নহয়, আৰু মোতকৈ কেইবাবছৰে সৰু (মোক 'দাদা' বুলি মাতে) দুয়োৰে উমৈহতীয়া চিনাকি এজন বন্ধুৱে পৰিচয় কৰাই দিছিল, তাৰ পাছৰপৰাই লাহে-লাহে গাঢ় হৈ আহে হৃদ্যতা। পেছাত ভাৰতীয় জীৱন বীমা নিগমৰ উন্নয়ন বিষয়া ('ডেভেলপমেন্ট অফিচাৰ') নে কিবা তেনেকুৱা, আজৰি সময় বহুত পায়, কিতাপ-পত্ৰ পঢ়ে। মই মাজে-মাজে দুই-এটা গল্প লিখোঁ, সেইবোৰো পঢ়িছে (পঢ়ি ভাল পায় বুলি কৈছে), সেইবোৰৰ বিষয়েও ইটো-সিটো আলোচনা কৰে, মোৰ ঘৰলৈ আহে,ময়ো তাৰ ঘৰলৈ যাওঁ, তাৰ স্ত্ৰী জয়া আৰু ল'ৰা-ছোৱালী নীলু-নীলাৰ লগত পৰিচয় কৰাই দিছে, বহোঁ, কথা পাতোঁ, অনুভৱ কৰোঁ যে আমাৰ দুয়োৰে কিবা এটা পাৰস্পৰিক টান আছে, কিবা এটা সমমৰ্মিতা আছে, যিটো কিন্তু ভাল লেখা-মেলাৰ প্ৰতি আমাৰ আগ্ৰহৰ আধাৰত নহয়, বৰং হয়তো দুটা মনৰ কিবা এটা অনিৰ্দিষ্ট অনুনাদ। মাজে-মাজে দুয়ো একেলগে কথা পাতি-পাতি কিছু খোজ কাঢ়োঁ, কিতাপৰ দোকানলৈ যাওঁ, দুয়োৰে পৰিয়ালসমেত থিয়েটাৰ চাবলৈ যাওঁ বা এজনে বজাৰ কৰোঁ, আনজন এনেয়ে লগত যায়। মোতকৈ ডেকা যদিও বুধীনে খোজ কাঢ়ে লাহে-লাহে, মোৰ লগত তাল ৰাখিব নোৱাৰে, তাৰ শৰীৰ দুৰ্বল, দেহা ক্ষীণ, হেনো কিড্‌নীৰো অলপ গণ্ডগোল আছে, ঔষধ-পাতি খাই থাকে, সাৱধানে চলে...এদিন ৰাস্তাৰে গৈ থাকোঁতে দেখিলোঁ সিপিনৰপৰা বুধীন আহি আছে, মোক দেখা নাছিল, মোৰ ওচৰ পালত মই মুখত এটা হাঁহি ফুটাই তুলি কাষ চাপিলোঁ, বুধীনে মোক নেদেখাৰদৰে এটা শূন্য দৃষ্টি নিক্ষেপ কৰি মুখেৰে অস্পষ্ট কিবা এটা কৈ কাষেৰে পাৰ হৈ গ'ল—এইটো কি হ'ল? মই স্তম্ভিত হৈ চিঞৰিলোঁ, "বুধীন—

এই বুধীন—”, কিন্তু সি যেন মোৰ মাত শুনাই নাপালে, খোজৰ বেগ বঢ়াই দি দূৰলৈ আঁতৰি গ’ল। কিছু সময় বিমূঢ় হৈ মাজ ৰাস্তাত থিয় দি ৰ’লোঁ, তাৰপাছত ঘৰলৈ খোজ ল’লোঁ—ঘৰ পাই টেলিফোনটো তুলিলোঁ, বুধীনৰ নম্বৰটো ডায়েল কৰিলোঁ, সিপিনৰপৰা ভাহি আহিল এটা ‘ব্যস্ত’ (‘এনগেইজ্‌ড’) সংকেত, দুঘণ্টামান পাছত আকৌ ডায়েল কৰিলোঁ, ভাহি আহিল এটা দীঘল কোঁ-ও-ও ধ্বনি, মানে বুধীনে ফোনটো ক্ৰেড্‌লৰপৰা নমাই থৈছে...কাটি গ’ল কেইবাটাও চিন্তাজৰ্জৰ দিন, তাৰপাছত এদিন তাৰ ঘৰলৈ গৈ ঘণ্টা টিপিলোঁ, ওলাই আহিল বুধীন (ঘৰুৱা সাজত), মোক দেখি যেন উচপ খাই উঠিল, লৰালৰিকৈ ক’লে, “অ’—দাদা আপুনি—নাই—মই এতিয়া যাব ওলাইছোঁ—জৰুৰী কাম—”, এই বুলি আৰু দুটামান কিবা কথা বিৰ্‌বিৰাই সেই ঘৰুৱা পোছাকেৰেই লৰালৰিকৈ ছিৰিৰে নামি গৈ ৰাস্তা পালে, দ্ৰুত খোজ পেলাই কাষৰ কেঁকুৰিটোৰে অদৃশ্য হৈ গ’ল—ভিতৰৰপৰা ওলাই আহিল জয়া, চকু ডাঙৰ কৰি ক’লে, “অ’—এওঁ ক’ৰবালৈ গ’লগৈ নেকি—এঃ, মোকতো একো কৈ নগ’ল, ক’তোতো যোৱা কথা নাছিল—এঃ, আহক-আহক, আপুনি ভিতৰলৈকে আহক, অলপ বহকহি, নিশ্চয় এতিয়াই আহি যাব—”, আৰু দুৱাৰখন মেলি ধৰিলে, মই এটা বিব্ৰত হাঁহি মাৰিলোঁ আৰু ক’লোঁ, “নাই—মোৰো এটা বৰ আৰ্জেন্ট কাম আছে, পাহৰিয়েই গৈছিলোঁ—বাৰু, মই যাওঁ এতিয়া, পাছত আহিম—”, এই বুলি জয়াক আৰু একো ক’বৰ সুযোগ নিদি লৰালৰিকৈ ছিৰি ভাঙি ৰাস্তা পালোঁ, ঘূৰি নাচালোঁ জয়াৰ মুখত কি বিস্ময় ফুটি উঠিছে...কেইদিনমান পাছত এঠাইত বাছৰপৰা নামিলোঁ, দেখিলোঁ বাছ-ষ্টপত আৰু চাৰিজন মান মানুহৰ মাজত বুধীনো ৰৈ আছে, মই চিঞৰ দিলোঁ, “অ’ বুধীন ক’লৈ—”, কিন্তু বুধীনে মোক দেখা নোপোৱাৰদৰে ভংগী দি যাত্ৰীৰ জুমটোৰ মাজেৰে অনাৱশ্যকীয়ভাৱে ঠেলি-হেঁচি সোমাই গৈ বাছত উঠিল, বাছ এৰি দিলে, মই ব্যথাক্লিষ্ট-অপমানিত মুখে অপসৃয়মান বাছখনৰ পিনে চাই ৰ’লোঁ...আৰু এদিন ফ’ন কৰিব চেষ্টা কৰিলোঁ, বুধীনে ধৰিলে, ক’লে, “হেল’?” মই ক’লোঁ, “বুধীন—মই কৈছোঁ—”, লগে-লগে সিপিনৰপৰা বুধীনে ক’লে, “অ’, মোৰ মানুহ আহিছে—এতিয়া কথা হ’ব নোৱাৰিম—ছ’ৰী”, আৰু সশব্দে ফোনটো নমাই থ’লে—

*** *** ***

ভাবিলোঁ আৰু ভাবিলোঁ, কিন্তু বুজি নাপালোঁ মইনো কি কৰিলোঁ, কিহত নো বুধীনে মোক বেয়া পালে। কিয় আহিল এই বিকৰ্ষণ, কি বেসুৰা উপধ্বনি সোমাই নষ্ট কৰি পেলালে আমাৰ মন দুটাৰ অনুনাদ। কিছুদিন আগেয়ে মোৰ নামত অলপ কুৎসা ৰটিছিল—খোলাখুলিকৈ নহয়, কিন্তু চিনাকি মানুহৰ ভাব-ভংগীমাত চেপা-চেপা ৰূপত—ছোৱালী এজনীৰ লগত মই এটা দুৰ্ভাগ্যজনক পৰিস্থিতিত জড়িত হৈ পৰিছিলোঁ। ফলত ধাৰণা হৈছিল যে কিছুমান মানুহে মোক এৰাই চলিছে, মোৰ লগত কথা পাতিবলৈ বিব্ৰত বোধ কৰিছে—কিন্তু ঘটনাটোৰ বাবে মই দায়ী নাছিলোঁ, স্বল্পপৰিচিতা ছোৱালীজনীয়ে নিজেই আহি এদিন এটা অচিলাত মোৰ লগত যাক কয় ‘লষ্টি’ গৈছিল, কিছু দিন পাছত কোনোমতে সেই ঘূৰ্ণাবৰ্তৰপৰা ওলাই আহিলোঁ—একধৰণে চাবলৈ গ’লে সেইটো এটা ‘কেলেংকাৰী’, আন একধৰণে চালে সেইটো ‘অ’, এই কথা! যাঃ, এইটো নো আৰু কি এনে ধৰিবলগীয়া কথা’—জাতীয় এটা সৰু অঘটন। কিন্তু সেই সময়ত তো বুধীনৰ কোনো বিৰূপ প্ৰতিক্ৰিয়া দেখা নাছিলোঁ, যেন অপবাদৰ গুজবে তাক স্পৰ্শই কৰা নাছিল মোক এৰাই ফুৰা আন মানুহবোৰৰদৰে—তেনেহ’লে তাৰ বেছ কিছু দিন পাছতহে সেই ঘটনাই তাৰ মনত ক্ৰিয়া কৰিব নে? আৰু, ইমান প্ৰকটভাৱে? তেনেহ’লে আৰু নো কি কথাত সি মোৰ ওপৰত ৰুষ্ট হ’ল, ক্ষুণ্ণ হ’ল? তাকতো মই কেতিয়াও বেয়াকৈ একো কোৱা নাই, তাৰ মনত দুখ দিব পৰাকৈ একো কৰা নাই—তাৰ পৰিয়ালৰ বিষয়েও একো অনুচিত মন্তব্য কৰা নাই, বৰং জয়াৰ কথা-কামৰ সদায় গুণ গাইছোঁ, তাইৰ হাতৰ চাহ আৰু কালজিৰা দিয়া লুচি আৰু কৰ্পূৰ দিয়া চুজি খাই পৰিতৃপ্তি প্ৰকাশ কৰিছোঁ। নীলু-নীলাৰ পঢ়া-শুনাৰ আৰু গান-বাজনাৰ অগ্ৰগতিৰ খা-খবৰ লৈছোঁ, সিহঁতৰ তাৰিফ কৰিছোঁ—অৱশ্যে নীলু-সংক্ৰান্ত এটা কথাত সি মোৰ ওপৰত অসন্তুষ্ট হ’ব পাৰে—হৈছিল কি, নীলুক এখন ম’-বাইক্ কিনি দিবলৈ সি মোৰপৰা কেইহাজাৰ মান টকা ধাৰ খুজিছিল, তাক মই ক’লোঁ যে সি ইস্কুল পাৰ হোৱাই নাই, তাক এতিয়াই তুমি মটৰচাইকেল নিদিবা—টিভিৰ চক্‌মকীয়া বিজ্ঞাপনবোৰ দেখি-দেখি আৰু ধনী ঘৰৰ ল’ৰাৰ হিৰো-হণ্ডা আদিবোৰ দেখি-দেখি তাকো এখন লগা হৈছে, সেইটো স্বাভাৱিক, কিন্তু সেইটো হ’ব এটা অনাৱশ্যকীয় অপব্যয়, সি বাছেৰেই সুন্দৰকৈ অহা-যোৱা কৰি আছে, সেইটোকে কৰক—বৰ জোৰ এখন চাইকেল লওক—কিন্তু দামী মটৰবাইক লৈ গা ঘেলাই ফুৰিবৰ তাৰ বয়স হোৱা নাই আৰু ইচ্ছা কৰিলেই কোনো এটা বস্তু পাই যাব, এই ধাৰণাটোও বৰ মাৰাত্মক—সি বুজিব শিকক যে বস্তুবোৰৰ দাম আছে, সেই ধন আৰ্জিবলৈ কষ্ট কৰিব লাগে, কাম কৰিব লাগে—ইউৰোপ-আমেৰিকাত ৰাজ-পৰিয়াল বা ধনকুবেৰৰ ল’ৰাকো মাক-বাপেকে সিহঁতৰ চখৰ বস্তু কিনি নিদিয়ে, সিহঁতে বন্ধই-চন্ধই অ’ত-ত’ত কাম কৰি ধন জমায়, যেনে ধৰা কোনোবা ৰেষ্টুৰেণ্টত ৱেইটাৰ হয়; বতৰৰ সময়ত ‘হপ্’ বুটলে, বৰদিনৰ ডাকৰ হেঁচাৰ সময়ত ডাকঘৰত কাম কৰে, এনেকৈ ধন জমা কৰি-কৰি হয়তো এখন বেইছবল-বেট বা এটা জীন্‌ছ কিনে—বুধীনেও যেন অলপ বিষাদমুখে মোৰ কথাত হয়ভৰ দিলে। কিন্তু মনে-মনে হয়তো...অৱশ্যে সিও নিশ্চয় বুজিছে যে মই নীলুৰ ভালৰ বাবেই টকা ধাৰে দিব নিবিচাৰিলোঁ (অইন প্ৰয়োজনত, ঠেকা-বেঠেকাত কিন্তু দিছোঁ), তথাপি...এদিন বুধীনে তাৰ প্ৰিয় লেখক এজনৰ কিতাপ এখনৰ বিষয়ে সমুৎসাহে কিবাকিবি কৈ আছিল, মই সেইজন লেখকৰ লেখা ভাল নাপাওঁ আৰু সাধাৰণতে মই অইন লেখকৰ বিষয়ে মন্তব্য নকৰোঁ, কিন্তু তাৰ উচ্ছ্বসিত প্ৰশংসাত অলপ বিৰক্ত হৈ মই কৈ পেলালোঁ, “এঃ, তোমাৰো যে টেইষ্ট্ (taste)!”—বুধীন চুপ মাৰি গ’ল, মুখখন এন্ধাৰ হৈ পৰিল, তাৰ পাছ মুহূৰ্ততে নিজকে চম্ভালি লৈ মুখত এটা ক্ষীণ হাঁহি টানি আনি ক’লে,

“অ, সেইটো হয় দাদা—বৰ কিছুমান যা-তা কথাও লিখে তেওঁ, খুব হাই-ষ্টেণ্ডাৰ্ড বুলিব নোৱাৰি—কিন্তু পঢ়ি-পঢ়ি অভ্যাস হৈ গৈছে, পঢ়োঁ আৰু—” পাছলৈ মোৰ বেয়া লাগিছিল, ভাবিছিলোঁ বুধীনে নিশ্চয় মনত আঘাত পাইছে, কিয়নো বিভিন্নজনৰ ৰুচিও বিভিন্ন—কিন্তু এই সামান্য মন্তব্যটোৰ বাবেই সি মোৰ লগ এৰা দিবনে?...সৰুতে সিও এবাৰ প্ৰেমত পৰিছিল, এদিন অলপ লাজ-লাজকৈ সি তাৰ সেই বাল্যপ্ৰেমৰ ঘটনাটো মোক কৈছিল, দীৰ্ঘ স্থায়ী একো নহয়, এটা খন্তেকীয়া ভাল লগা—বহু দিন আগৰ কথা, এতিয়া মনত পৰিলে বোলে এটা হাঁহি উঠা মূৰ্খামি যেন লাগে—ময়ো সেইখিনি শুনি এটা খুহুটীয়া মন্তব্য কৰিছিলোঁ, সিও হাঁহিছিল—কিন্তু আজি মনত সন্দেহ জাগিছে, সি সঁচাকৈয়ে, হাঁহিছিল নে অন্তৰেৰে? বহু দিন পাছত হয়তো মানুহে হাঁহি উৰাই দিয়ে অপৈণত বয়সৰ দ্বিধাজৰ্জৰ প্ৰথম প্ৰেমৰ স্মৃতি, কিন্তু তাৰ বিষাদ-বিধুৰ অনুৰণন মাৰ যায় নে কোনো দিনে? ইমান স্পৰ্শকাতৰ যি অনুভূতি, সেই লৈ যদি মই ৰগৰ কৰোঁ...

*** *** ***

নাই, মই ভাবি-ভাবি পাৰ নাপাম, বুধীনে কি কথাত মোক বেয়া পালে—ঠিক কৰিলোঁ, যি হয় হ'ব, মই গৈ তাক লগ ধৰিম, জোৰজবৰদস্তি তাক 'পাকড়াও' কৰিম, তাকেই পোনপটীয়াকৈ সুধিম—কোৱা, কি হৈছে। এনেদৰে ভাবি থাকোঁতে আন মানুহৰ মুখত শুনিলোঁ যে তাৰ কিড্‌নীৰ আৰু অধিক অৱনতি ঘটিছে, অলপতে চেন্নাই নে ক'ৰবাৰপৰা তাক দেখাই আনিছে, তাত কৈছে যে এটা কিড্‌নী একেবাৰে বিকল হৈ গৈছে, ইটোৰ অৱস্থাও সংকটজনক, ইমান সংকটজনক যে তাত হাত দিয়াৰ কথা এতিয়া আৰু ভবাই নাযায়। কিবা কৰিবলৈ যোৱাটো হ'ব খুব বিপজ্জনক (risky)। কিড্‌নী সংস্থাপন (transplant) কৰাৰো আৰু অৱকাশ নাই (কৰিবলৈ গ'লেও খৰচ পৰিব লাখ-লাখ)—এতিয়া ঘৰতে ডায়ালিছিছ দি আছে, দিনে দুবাৰকৈ। তাৰ ঘৰলৈ গ'লোঁ, জয়াই দুৱাৰ খুলি দিলে, তাইৰপৰা বুধীনৰ অৱস্থাৰ বুজ ল'লোঁ, জয়াই চল্‌চলীয়া চকুৰে মোক তাৰ বিছনাৰ কাষলৈ লৈ গ'ল (এইবাৰ আৰু সি মোক এৰাই যাব নোৱাৰিলে, কাৰণ সি এতিয়া শয্যাশায়ী)—দেখিলোঁ সি চকু মুদি দীঘল-দীঘলকৈ উশাহ টানি আছে, ক্লিষ্ট মুখখন আগতকৈ আৰু সৰু হৈ গৈছে, ক্ষীণাই-শুকাই দেহা অস্থি-চৰ্মসাৰ, খোৱা-বোৱাতো বহুত বাধা-নিষেধ। বিছনাৰ কাষৰ চকি এখনত বহি তাৰ কান্ধত হাত দিলোঁ, সি চকু মেলি চালে। ক'লে, “অ' দাদা—”, তাৰপাছত নীৰৱ হৈ গ'ল। জয়াই ক'লে, “এওঁক ডাক্তৰে বেছি কথা ক'বলৈ মানা কৰিছে, উশাহৰ কষ্ট হয়”, বুধীনে জয়াৰ পিনে চাই মূৰ দুপিয়ালে। মোৰ পিনে চাই থোকা-থুকিকৈ ক'লে, “মোৰ আৰু বেছি দিন নাই—”, মই ক'োঁ, “ধেৎ, কি বাজে কথা কোৱা—তোমাৰ চিকিৎসা আৰম্ভ হৈছেহে মাত্ৰ, চব ঠিক হৈ যাব, মনত জোৰ ৰাখা, আমি আছোঁ নহয়—”, বুধীনে অসহায়ৰদৰে জয়াৰ পিনে চালে, মই ক'লোঁ, “বাৰু জয়া, মই আৰু বেছি সময় দিগ নিদিওঁ—মোক পানী এগিলাচ খুওৱাচোন—গৰম পানী দেই, মোৰ ফেৰিনজাইটিছ হৈছে—”, (মিছা কথা ক'লোঁ) জয়াই অলপ ইতস্ততঃ কৰি ক'লে, “অ, বাৰু, আনিছোঁ—”, এইবুলি কোঠাৰপৰা ওলাই গ'ল। এনেদৰে জয়াক আঁতৰালোঁ, কিন্তু পানীখিনি গৰম কৰিবলৈ বেছি সময় নালাগিব, গতিকে আৰু পলম নকৰি ক'লোঁ, “বুধীন, তোমাক কথা এটা সোধোঁ—”, সি জিজ্ঞাসুমুখে মোৰ পিনে চালে, মই ক'লোঁ, “মই মনত বৰ কষ্ট পাই আছোঁ—তোমাক এটা অনুৰোধ কৰোঁ, তুমি ৰাখিবই লাগিব—কোৱা, ৰাখিবা?” সি শূন্য দৃষ্টিৰে মোৰ পিনে চালে, লাহেকৈ মূৰটো দুপিয়ালে। মই ক'লোঁ, “কোৱা, তুমি কিয় মোক এৰাই ফুৰিছা—মই কি দোষ কৰিছোঁ? অন্ততঃ এটা হিন্টছ দিয়া—তোমাৰ কথা-বাৰ্তা কোৱাত অসুবিধা হৈছে, চমুকৈয়ে কোৱা, মাথোঁ আভাস এটা দিয়া—মই নজনাকৈ যদি কিবা দোষ কৰিছোঁ, সেইটোতো অন্ততঃ মোক শুধৰাবলৈ—ক'বা নে?” সি মোৰ পিনে চায় কান্দো-কান্দো মুখে অলপ পৰ চাই ৰ'ল, তাৰপাছত ক্ষীণ থোকাথুকি মাতেৰে ক'লে, “ক'ম—আজি নোৱাৰোঁ—উশাহ নাপাওঁ—ফোন কৰিব। যি পাৰোঁ ক'ম—”, “ফোন কৰিম? কেতিয়া?” “এই ধৰক—পৰহি দিনা সন্ধিয়া আঠটাত।”, “পৰহি দিনা, সন্ধিয়া আঠটা।”—মই পুনৰাবৃত্তি কৰিলোঁ। গৰম পানী লৈ জয়া সোমাই আহিছে, সি লাহেকৈ আৰু এবাৰ মূৰটো দুপিয়াই কথা বন্ধ কৰিলে।

সেইমতেই উগুল-থুগুলচিত্তে তাৰ ঘৰলৈ ফোন কৰিলোঁ, জয়াই ফোন ধৰিলে, মই ক'লোঁ, “বুধীনৰ কেনে?” “আছে একৰকম—একেই আছে।” “মই ফোন কৰাৰ কথা আছিল—মোৰ লগত কথা ক'ব, পাৰিবনে?” সামান্য নীৰৱতা, তাৰপাছত অনিশ্চয়ভাৱে জয়াই ক'লে, “অ কথা-চথা কৈ আছে, কিন্তু বেছি সময় নোৱাৰিব—”, “দুই মিনিট, জয়া?” মই অনুনয়ৰ সুৰত ক'লোঁ। “অ' বাৰু দিছোঁ—”, বোধহয় বিছনাতে বুধীনক ফোনটো দিলে, মই ক'লোঁ, “হেল'? বুধীন?..”

কিন্তু সেই ৰাতিয়েই দুঘণ্টা মান পাছত তাৰ অৱস্থা আৰু বেয়াৰ পিনে ঢাল খালে, ডাক্তৰক খবৰ দিয়া হ'ল, ডাক্তৰ আহিল, বুধীনক পৰীক্ষা কৰিলে, ক'লে যে নাই নাই, আৰু দেৰি কৰিব নোৱাৰি, পাৰিলে এতিয়াই নাৰ্ছিংহ'মলৈ লৈ যাব লাগিব—ডাক্তৰে ফোন কৰি এম্বুলেন্স অনালে, তাক নাৰ্ছিংহ'মলৈ লৈ গ'ল, তেতিয়া বুধীনৰ সংজ্ঞা নাই, 'কমা', তাক আই.চি.ইউত ভৰাই দিলে—আৰু তেনেকৈয়ে তাতে দুদিন পাছত বুধীন ঢুকাল।

*** *** ***

অ, মই নিৰ্দিষ্ট সময়তে টেলিফোন কৰিছিলোঁ। ভয়ে-ভয়ে ডায়েল কৰিলোঁ, কি বা ক'ব বুধীনে এতিয়া, জয়াক পালোঁ, তাৰপাছত বুধীন, তাৰ কথাবোৰ তো স্পষ্ট বুজা নাযায়—ভাবিলোঁ, শব্দবোৰৰ কিবা বুজোঁ বা নুবুজোঁ লিখি থ'ম, পাছত পাঠোদ্ধাৰ কৰিম—কাষত ডাঙৰ ৰাইটিং-পেড এটাৰ পাত এখন মেলি ল'লোঁ, তাৰ ওপৰত ডট্-পে'নটো থ'লোঁ—ক্ৰিং-

ক্রিং—“হেল’? বুধীন? কেনে পাইছা এতিয়া?” “ভালেই”, খীণ অস্পষ্ট স্বৰ ভাহি আহিল। “বাৰু বুধীন, বেছি সময় নলওঁ—সিদিনা যে কৈছিলা, কথাটো ক’বা নেকি?” “অ”, যেন সেহাই-সেহাই উচ্চাৰিলে বুধীনে, “অ, কথাটো মানে—”, এনেতে বিজুলি গ’ল, ৰুমটো আন্ধাৰ হৈ গ’ল—কি আপদ! এইকেইদিন এইখিনি সময়ত প্ৰায়ে পাৱাৰ-কাট্ হৈছে, কিন্তু ভাবিছিলোঁ ইন্‌ভাৰ্টাৰটোতো চলিব—কিন্তু ইনভাৰ্টাৰ্ নচলিল, বোধহয় চাৰ্জ কৰিব পাহৰিছোঁ—ব্লাডী হে’ল—টৰ্চটো বা ক’ত থ’লোঁ—সিপিনৰপৰা বুধীনৰ অস্পষ্ট মাত আহি আছে, লৰালৰিকৈ আন্ধাৰতে খেপিয়াই ডট্-পে’ন্‌টো ৰাইটিং-পেডৰ কাগজখিলাৰ ওপৰত ধৰিলোঁ, আন্ধাৰতে যি শব্দ শুনা পালোঁ খচ্‌মচ্‌কৈ লিখিলোঁ—“অঁ—যোৱা বছৰ মাঘবিহুৰ সময়ত—উৰুকাৰ আগৰাতি—উঃ, বিষাইছে—আলোকেও—(আলোক নে গোলোক? সঠিক নুবুজিলোঁ), মই ভাবিলোঁ কিয় মিছামিছি এল-আই-চিৰ...কিন্তু আপুনি তেতিয়া (বিৰ্‌বিৰ্-বিৰ্‌বিৰ, বিক্ষিপ্ত শব্দ)...নহয়...তথাপি...মই ক’লোঁ...এন্টিড’ট আন্‌লে’ছ—উঃ-উঃ— কখগঘপফবভ...সেয়ে আৰু...”, শব্দ বন্ধ হ’ল, ফোন নমাই থ’লে—যি-যি শব্দ কাণত পৰিল মৰীয়া হৈ কাগজত খচ্‌খচ্‌কৈ লিখিলোঁ—ভালদৰে পঢ়ি চালে নিশ্চয় কিবা এটা অৰ্থ ওলাব—লাইট আহিল, টেবুল-লাইটটো জ্বলালোঁ—কাগজখিলা উকা, মাথোঁ কিছুমান আঁচোৰৰ দাগ, নাজানো কেতিয়া যে ডট্-পে’নটোৰ ৰিফিল্ শেষ হৈ গৈছে।

........................................................................

[প্ৰথম প্ৰকাশ ঃ **সাদিন**, বসন্ত সম্ভাৰ, এপ্ৰিল, ২০০৮]